অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ এজবেক/০৯/০৭/২০২২-২৩
Ref :

তাৰিখ ঃ ১৯-০৯-২০২২
Date :

## এজবেক শৈক্ষিক পৰিষদৰ সভা

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ (এজবেক) শৈক্ষিক পৰিষদৰ (Academic Council) এখন সভা ১৮ ছেপ্টেম্বৰ তাৰিখে অসম জাতীয় বিদ্যালয়, নুনমাটি চৌহদত অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় শিক্ষা-নীতি, ২০২০ আৰু জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থা; শিক্ষাৰ মাধ্যম সম্পৰ্কীয় অসম চৰকাৰৰ শেহতীয়া ঘোষণা আৰু জাতীয় বিদ্যালয় শিক্ষা-ব্যৱস্থাত ইয়াৰ প্ৰভাৱ; দ্বিভাষিক (bilingual) শিক্ষা ব্যৱস্থা : প্ৰয়োজনীয়তা, সুযোগ আৰু সম্ভাৱনা; মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত ইংৰাজী ভাষা শিক্ষা ইত্যাদি বিভিন্ন বিষয় সন্দৰ্ভত সভাত পৰ্য্যালোচনা কৰা হয়। অসমৰ শিক্ষা খণ্ডৰ লগত জড়িত অভিজ্ঞ শিক্ষক-শিক্ষাবিদ, অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কৰ্মকৰ্তা তথা অসম জাতীয় বিদ্যালয়ৰ বিভিন্ন বিভাগীয় মুৰব্বী শিক্ষকসকলক লৈ গঠিত 'শৈক্ষিক পৰিষদ'খনৰ এই সভাত সদস্যসকলে আলোচ্য বিষয় সন্দৰ্ভত নিজস্ব মতামত আগবঢ়ায়। পৰিবৰ্তিত পৰিস্থিতিত, ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ক হোৱাকৈ তথা প্ৰকৃত শিক্ষাদান আৰু জ্ঞান আহৰণৰ বাবে কি ধৰণৰ নতুন ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় সেই সম্পৰ্কে সদস্যসকলে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। বিভিন্ন বিষয়ত হোৱা এই পৰ্য্যালোচনাক এক প্ৰাৰম্ভিক পদক্ষেপ হিচাপে বিবেচনা কৰি ভৱিষ্যতে আৰু অধিক আলোচনাৰ মাধ্যমেৰে উপযুক্ত তথা সময়-সাপেক্ষ ব্যৱস্থা গ্ৰহণ কৰাৰ হকে সকলোৱে মত পোষণ কৰে। ইয়াৰ উপৰিও অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথিসমূহৰ বৈশিষ্ট্যৰ বিষয়ে বিভাগীয় মুৰব্বীসকলে একোখন চমু প্ৰতিবেদন আগবঢ়ায়। উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে এন চি ই আৰ টি, এচ চি ই আৰ টি তথা ছেবা পাঠ্যক্ৰমৰ আধাৰত প্ৰস্তুত কৰা ৯৮ খন পাঠ্যপুথি/আহিলা পুথি ইতিমধ্যে প্ৰকাশ কৰি উলিয়াইছে।

শৈক্ষিক পৰিষদৰ সভাখনত উপস্থিত আছিল— সপোন দুৱৰা, ডঃ অচ্যুত শৰ্মা, সুকুমাৰ বৰঠাকুৰ, ড° মিজো প্ৰভা বৰা, ড° সত্যকাম বৰঠাকুৰ, ড° অৰূপজ্যোতি শইকীয়া, ড° শৈৱাল সেনগুপ্ত, ড° উমাচৰণ শৰ্মা, ড° অনুৰাধা শৰ্মা আৰু ড° দিব্যজ্যোতি মহন্ত। শৈক্ষিক পৰিষদৰ আন দুগৰাকী সদস্য ড° অৰনী কুমাৰ ভাগৱতী আৰু ড° প্ৰবীণ দাস বিশেষ অসুবিধাবশতঃ সভাত উপস্থিত থাকিব নোৱাৰিলে।

অসম জাতীয় বিদ্যালয়ৰ শিক্ষা বিষয়াদ্বয় নৰেন্দ্ৰমোহন গোস্বামী আৰু ৰোহিনী কুমাৰ গোস্বামী, অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয়, বিভিন্ন বিষয়ৰ বিভাগীয় মুৰব্বীসকল, পৰীক্ষা নিয়ন্ত্ৰক, প্ৰশিক্ষণ সমন্বয়ক আৰু এজবেক সমন্বয়ক এই সভাত উপস্থিত থাকি আলোচনাত অংশগ্ৰহণ কৰে।।

এজবেকৰ কাৰ্য্যকৰী সভাপতি দিলীপ কুমাৰ দত্তচৌধুৰীও উপস্থিত থকা সভাখনৰ আঁত ধৰে এজবেকৰ সচিব ডা° নাৰায়ণ শৰ্মাই।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ